দিনটোৰ বাণী

সত্য-সুন্দৰৰ বোলে
সনা জীৱন-অভিজ্ঞতা
প্ৰকাশেই সাহিত্য।
— ড° মহেন্দ্ৰ বৰা

# অসম আদিত্য

RNI REGN. No. : ASSASS/2019/7869
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

স্বাস্থ্য

ৰঙালাওত থকা হাইপ'গ্লাইকেমিয়া উপাদানে ডায়েবেটিছ আৰু হাই কলেষ্ট'ৰেল নিয়ন্ত্ৰণত সহায় কৰে। ৰঙালাওত থকা প্ৰচুৰ পৰিমাণৰ এন্টিঅক্সিডেন্টে কোষ ধ্বংস হোৱাতো বাধা প্ৰদান কৰে।

■ পঞ্চম বছৰ ■ সংখ্যা ১০২ ■ ৪ ব'হাগ, ১৯৪৫ শক ■ মঙলবাৰ, ১৮ এপ্ৰিল, ২০২৩ ■ Asom Aditya, Dibrugarh, Tuesday, April 18, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ



## ডিব্ৰুগড় সাহিত্য সভাৰ ব'হাগ আদৰণী অনুষ্ঠান, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা সাত ব্যক্তিক সম্বৰ্ধনা

# চৌদিশে বিহুৰ উছাহ ঃ টেঙাখাতত আপ্লুত বিদেশী পৰ্যটক

ডিব্ৰুগড়, ১৭ এপ্ৰিল ঃ ৰাজ্যৰ চৌদিশে ৰঙালীৰ উৎসাহত মতলীয়া। গৃহস্থৰ চোতালত হুঁচৰিৰ পদধূলা। বিহু মঞ্চই মঞ্চই পাৰভঙা উৎসাহ। ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় সাহিত্য সভাইয়ো প্ৰতিবছৰৰ দৰে এইবাৰো ব'হাগ আদৰণি শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠান সম্পন্ন হৈ যায়। ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু জাতীয়তাবাদী মহিলা পৰিষদ আৰু সম্পৰ্ক নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহযোগত কেইবাশতাধিক লোকৰ উপস্থিতিত বিভিন্ন কাৰ্যসূচীৰে পৰিৱেশ মুখৰিত হৈ পৰে। অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক উদয়ন কুমাৰ গগৈয়ে আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰি ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা এই ব'হাগৰ আদৰণি সংকল্প অনুষ্ঠানটো এইবাৰ টাই আহোম জনগোষ্ঠীৰ ফা-চিত(চেলেং) গুৰুত্ব দিয়া হয়। জনগোষ্ঠীয় গামোচাৰ আৰ্হিত বেটুপাতৰ 'গামোচা' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন আৰু বেনাৰ আদি কৰাৰ লগতে মুখ্য অতিথি হিচাপে উপস্থিত থাকে টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁই। বিশিষ্ট ছাত্ৰনেতাজনে ব'হাগৰ তথা অসমীয়া নতুন বছৰৰ আৰম্ভণিতেই এনেদৰে এটা জাতীয় সংগঠন আৰু জাতীয় অনুষ্ঠানে সমন্বয় সম্প্ৰীতিৰ বাৰ্তা লৈ অনুষ্ঠিত কৰা অনুষ্ঠানে অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ মাজত একতাৰ বান্ধ অধিক শক্তিশালী কৰিব বুলি আশা কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি বিশিষ্ট সাহিত্যিক ড০ শশীকান্ত শইকীয়া আৰু অসম জাতীয়তাবাদী যুৱ পৰিষদ সভাপতি উজ্জ্বল কুমাৰ চুতীয়াৰ যৌথ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে উপ-সভাপতি বিভাস দুৱৰাই। বিশিষ্ট সাংস্কৃতিক কৰ্মী, নৃত্য পৰিচালক মুকুল আহমেদৰ পৰিচালনাত এটা সাতভনী নৃত্যৰ জৰিয়তে অনুষ্ঠান অধিক মোহনীয় কৰি তোলাৰ লগতে অসমৰ আগশাৰীৰ জেংবিহু দল 'গামখাৰু'ৰ বিহু প্ৰদৰ্শন, বিশিষ্ট শিল্পী ৰুবুল দত্তৰ পৰিচালনাত 'বৰলুইত চেমনীয়া হুঁচৰি' দলৰ হুঁচৰি পৰিৱেশন, মৰাণ হুঁচৰি দলৰ হুঁচৰিৰ লগতে বিহুৱতী কাব্যশ্ৰী বৰাৰ বিহু প্ৰদৰ্শন, প্ৰিয়াংশ্ৰী গগৈৰ আৰু পংখীপ্ৰিয়া দত্তৰ সৃষ্টিমূলক নৃত্য প্ৰদৰ্শনে সকলোকে আপ্লুত কৰাৰ লগতে সাহিত্য সভাৰ পৰিৱেশ জীপাল কৰি তোলে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা বিশিষ্ট লেখক ড০ গোপাল চন্দ্ৰ হাজৰিকা আৰু ডিব্ৰু মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষা বিশিষ্ট লেখিকা, গল্পকাৰ জ্যোতি বৰগোহাঁইক সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী তথা প্ৰাক্তন শিক্ষয়িত্ৰী জ্ঞানদা দুৱৰা আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক তথা সত্ৰীয়া কলা-কৃষ্টি কেন্দ্ৰৰ প্ৰধান আচাৰ্য মোহন তামুলীক সম্বৰ্ধনা জ্ঞাপন কৰে উলগনি-পত্ৰৰ লগতে চেলেং, গামোচা, ফুলাম জাপি আদিৰে। অনুষ্ঠানত উপস্থিত থাকে সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি ৰতন কছাৰী, বেংগলী যুৱ-ছাত্ৰ ফেডাৰেশ্যনৰ সভাপতি নিৰ্মল কান্তি শীল, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই, কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাস, অসম জাতীয়তাবাদী মহিলা পৰিষদৰ অসমৰ সভানেত্ৰী ৰ'জলিন গগৈ শইকীয়া, গীতালী মহন্ত, গৌৰী শইকীয়া, মিণ্টু বৰুৱা, ৰাতুল বৰুৱা, নিৰঞ্জন দাস, ড০ ৰুণুমা শৰ্মা, উৎপলা দাস, সুৰজিতা সন্দিকৈ গগৈ, জেছিম আহমেদ, ভূৱন গগৈ, ভূৱন বৰুৱাসহ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানতে উদয়ন কুমাৰ গগৈৰ সম্পাদনাত 'গামোচা' শীৰ্ষক এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱাৰাই।



**টেঙাখাতৰ বৰবাম গাঁৱত বিদেশী পৰ্যটকে উপভোগ কৰিলে বিহু, বিশেষ প্ৰতিনিধি, টেঙাখাত ঃ** সুদূৰ সাত সাগৰ তেৰ নদী পাৰ হৈ আমাৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ সোৱাদ ল'বলৈ আমেৰিকা নিউ মেক্সিক'ৰ লিখক তথা এজন বৰেণ্য শিল্পী 'এছ ডি ইয়ং উফ্' অৰুণাচল লংডিঙৰ 'পাংনাই লুখামৰ' চিনাকি সূত্ৰে আহি টেঙাখাতৰ বৰবাম গাঁৱত ১৭ এপ্ৰিলত অৰ্থাৎ কালি উপস্থিত হৈ সকলো ৰাইজৰ মাজত বিহু সংস্কৃতি উপভোগ কৰাৰ লগতে অনাগত দিনত স্মৃতি সজীৱ হৈ থাকিবৰ বাবে তথা ধৰিত্ৰীক সেউজীয়া সুবাসৰ প্ৰাণ ঢালি একোটি গছপুলি ৰোপণ কৰে। বিদেশী পৰ্যটকজনৰ এনে মহানুভৱতাৰ বাবে অঞ্চলটোৰ ৰাইজে তেওঁক কৃতজ্ঞতা জ্ঞাপন কৰে।

## দৃষ্টিভংগী

❑ দিপান্তৰ গগৈ



সাতবিহু এতিয়াও শেষ হোৱা নাই। ডিব্ৰুগড় জিলাখনৰ বিভিন্ন স্থানত এতিয়াও বিহু সন্মিলন পাতিবলৈ বাকী আছে। বতৰে অৱশ্যে বাকী থকা বিহুমেলাসমূহত বিঘিনি নঘটোৱাটোকে কামনা কৰোঁ। ঐক্য, সম্প্ৰীতিৰ এই মেলাসমূহে ডিব্ৰুগড়ক অনন্য ৰূপ দান কৰিছে। সমান্তৰালকৈ বিস্তৃত এলেকাজোৰা চাহ খেতিয়ে ডিব্ৰুগড় চহৰক আৱৰি আছে। জিলাখনৰ ইমূৰৰ পৰা সিমূৰলৈকে এক নান্দনিক পৰিৱেশে বিৰাজ কৰিছে। শিক্ষাৰ পোহৰেৰে আলোকিত কৰা চহৰখনৰ অধিকাংশ বাসিন্দা অসমীয়া। সেয়া আমাৰ বাবে সৌভাগ্যৰ বিষয়। মই আশা কৰোঁ। শিক্ষাৰ ক্ষেত্ৰখনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দৰে উচ্চ শিক্ষানুষ্ঠানে চহৰখনৰ গাম্ভীৰ্যতা বৃদ্ধি কৰিছে। ঐতিহ্যমণ্ডিত হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, ইতিহাস প্ৰসিদ্ধ অসম চিকিৎসা মহাবিদ্যালয় আদিৰ দৰে শৈক্ষিক প্ৰতিষ্ঠান